No. of Printed Pages—2

43 (ASS)

[19-HBPGKOW-M1S(O) 20M]

MA 1st Semester (Old) Exam., 2019 (W)

ASSAMESE

[MAS-04]

(অসমীয়া সংস্কৃতি)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ যি কোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) অসমীয়া মহিলাই পৰিধান কৰি অহা চাৰি প্ৰকাৰৰ অলংকাৰৰ নাম উল্লেখ কৰক।

(b) লোকবাদ্যক কেই শ্ৰেণীত ভগোৱা হৈছে? পাঁচবিধ লোকবাদ্যৰ নাম লিখক।

(c) 'দশমহাবিদ্যা'ৰ দহটা স্বৰূপ কি কি?

(d) 'অক্ষয় বন্তি' কি?

(e) ''খুলীয়া ভাউৰীয়া এক সাংগীতিক অনুষ্ঠান''—কথাষাৰৰ সপক্ষে দুটা যুক্তি দাঙি ধৰক।

(f) আহোম যুগৰ স্থাপত্যৰ উৎকৃষ্ট নিদৰ্শন বুলি উল্লেখ থকা 'দলং সাঁকো'ৰ নিৰ্মাণশৈলী কেনেধৰণৰ?

2. তলৰ যি কোনো **তিনিটাৰ** চমু টোকা লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) : 4×3=12

(a) চিত্ৰ ভাগৱত

(b) দেওধনী নৃত্য

(c) লোক পৰিবেশ্য কলা

(d) অসমৰ খাদ্যাভ্যাস

3. তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) 'সংস্কৃতি'ৰ পৰিচয় দাঙি ধৰক। বিভিন্ন বৈশিষ্ট্যৰ আধাৰত বিভাজিত সংস্কৃতিৰ বিভাগসমূহৰ বিষয়ে এটি আলচ যুগুত কৰক।

(b) অসমত ধৰ্ম আৰু ভাষাৰ ক্ষেত্ৰত কেনেদৰে সমন্বয় সাধন হৈছে, সেই বিষয়ে চমুকৈ আলোচনা কৰক।

(c) অসমৰ ভৌতিক সংস্কৃতি সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

(d) শিৱৰ সহস্ৰ নাম উল্লেখ কৰক আৰু কি কি পদ্ধতিৰে শিৱক উপাসনা কৰা হয়, চমুকৈ লিখক।

4. তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০০ শব্দৰ ভিতৰত) : 10×4=40

(a) ৰিচাৰ্ড এম. ডৰচনে দেখুৱাই দিয়া লোকসংস্কৃতি অধ্যয়নৰ চাৰিটা ক্ষেত্ৰ অনুসৰি অসমীয়া লোকসংস্কৃতিৰ বিশেষ ভাগ 'সামাজিক লোকাচাৰ' সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰক।

(b) অসমত প্ৰাচীনকালৰে পৰা প্ৰচলিত শক্তি উপাসনাৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰক।

(c) 'সত্ৰ' শব্দটিৰ অৰ্থ ব্যাখ্যা কৰি মধ্যযুগত অসমত প্ৰতিষ্ঠিত সত্ৰসমূহৰ গঠনপ্ৰণালী আৰু শ্ৰেণীবিভাজন সম্পৰ্কে এখন ৰচনা লিখক।

(d) অবিভক্ত গোৱালপাৰা জিলাত প্ৰচলিত লোকনাট্যধৰ্মী অনুষ্ঠান কুশান গান আৰু ভাৰী গানৰ বিষয়ে পৰিচয়মূলক টোকা প্ৰস্তুত কৰক। দৰঙৰ 'খুলীয়া ভাউৰীয়া' অনুষ্ঠানৰ লগত ভাৰী গানৰ কিবা সাদৃশ্য লক্ষ্য কৰিব পাৰিনে ? উল্লেখ কৰক।

(e) "অসমৰ স্থাপত্য আৰু ভাস্কৰ্য-কলাৰ ইতিহাসত আহোম যুগৰ অৱদান অনবদ্য।" বিস্তৃতভাৱে আলোচনা কৰক।

★ ★ ★